# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 4-02-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

২০২৫-২৬ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ৰে'ল মন্ত্ৰালয়ৰ আৱণ্টনৰ পৰিমাণ বিগত বিত্তীয় বৰ্ষৰ বাজেটতকৈ ৪৭ শতাংশ বৃদ্ধি কৰা হৈছে। ২০২৪-২৫ বৰ্ষত অঞ্চলটোৰ বাবে মুঠ ৪ হাজাৰ ৬ কোটি টকা ৰে'ল বিভাগলৈ আৱণ্টন কৰাৰ বিপৰীতে পৰৱৰ্তী বিত্তীয় বৰ্ষত এই ধনৰ পৰিমাণ ৫ হাজাৰ ৯১৫ কোটি টকালৈ বৃদ্ধি কৰা হৈছে। কেন্দ্ৰীয় ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি আবেলি নতুন দিল্লীৰ পৰা ভিডিঅ' কনফাৰেন্সিঙৰ যোগেদি গুৱাহাটীৰ মালিগাঁৱৰ উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ মুখ্য কাৰ্যালয়ত উপস্থিত সাংবাদিকসকলৰ আগত এই বিষয়ে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয়, যে ২০২৫-২৬ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত কেতবোৰ গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছে। ৰে'লযাত্ৰীসকলৰ সুবিধাৰ্থে যোৱা জানুৱাৰী মাহৰ পৰা অসমত তিনিখন নতুন ৰে'লগাড়ী প্ৰৱৰ্তন কৰাৰ বিষয়েও শ্ৰীবৈষ্ণৱে উল্লেখ কৰে। তেওঁ কয়, যে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ অধীনত ৰে'লপথত থকা লেভেল ক্ৰচিং, আণ্ডাৰ পাছ্ অৰ্থাৎ ভূ-তল সুৰংগ নিৰ্মাণ আৰু ৰে'ল ষ্টেচনসমূহৰ উন্নয়নৰ ক্ষেত্ৰত অধিক গুৰুত্ব দিয়া হ'ব। ২০১৪-১৫ বৰ্ষৰ তুলনাত ২০২৫-২৬ বৰ্ষত উত্তৰ-পূৰ্বাঞ্চলত ৰে'ল শিতানত আৱণ্টিত ধনৰ পৰিমাণ পাঁচ গুণ বৃদ্ধি পাইছে বুলি ৰে'ল মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

০০০০০০

ৰাজ্যৰ ১২ হাজাৰ ৩৭৫ খন বিদ্যালয়ত আজি গুণোৎসৱ ২০২৫ৰ তৃতীয় পৰ্যায় আৰম্ভ হ'ব। ডিব্ৰুগড়, বিশ্বনাথ, দৰং, মৰিগাঁও, বঙাইগাঁও, কাছাৰ, ডিমা হাছাও, গোৱালপাৰা, মাজুলী আৰু নলবাৰীত অহা ৭ ফেব্ৰুৱাৰীলৈ তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হ'ব। তদুপৰি কোকৰাঝাৰ আৰু ওদালগুৰি জিলাৰ পূৰ্বে বৈ যোৱা একাংশ বিদ্যালয়তো গুণোৎসৱ সম্পন্ন হ'ব। আজি স্ব-মূল্যায়ন আৰু কাইলৈৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ বহিঃমূল্যায়ন কৰা হ'ব। মুঠ ৪ হাজাৰ ৯৬৭ গৰাকী বহিঃমূল্যায়কে ১১ লাখ ৩৮ হাজাৰ ২৭৫ গৰাকী শিক্ষাৰ্থীৰ বহিঃমূল্যায়ন কৰিব।

০০০০০০

ডিব্ৰুগড় বিশ্ববিদ্যালয়ত কাইলৈৰ পৰা চৰিদিনীয়া কাৰ্যসূচীৰে দ্বিতীয় বাৰৰ বাবে আন্তঃৰাষ্ট্ৰীয় সাহিত্য মহোৎসৱৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ কলা-সংস্কৃতি আৰু সাহিত্য বিষয়ক স্বেচ্ছাসেৱী অনুষ্ঠান ফ'কেলৰ উদ্যোগত আৰু বিশ্ববিদ্যালয়খনৰ সহযোগত আয়োজিত এই মহোৎসৱত আফ্ৰিকাক কেন্দ্ৰীয় বিষয় হিচাপে লোৱা হৈছে। ভাৰতৰ লগতে বিশ্বৰ ২৫ খন দেশৰ লেখক-সাহিত্যিকে এই মহোৎসৱত অংশ ল'ব। ইটালী, ইংলেণ্ড, পৰ্টুগাল, ইউক্ৰেইন, স্পেইনকে ধৰি দেশসমূহৰ লগতে ভাৰতৰ ভালেসংখ্যক খ্যাতনামা সাহিত্যিকে অনুষ্ঠানত ভাগ ল'ব। অসমৰ অনুৰাধা শৰ্মা পূজাৰী, অৰুপা পটংগীয়া কলিতা, বিপুল দেউৰী,

কৰবী ডেকা হাজৰিকাৰ উপৰি নতুন প্ৰজন্মৰ কেইবাগৰাকীও লেখকে এই অনুষ্ঠানত অংশ ল'ব। সাহিত্য মহোৎসৱৰ সবিশেষ জানিবলৈ www.dibrulitfest.com ৱেবছাইট চাব পাৰে।

০০০০০০

নগাঁও জিলাৰ ছাপানালাৰ ছম্পাৱতী জলপ্ৰপাতৰ ওচৰত কাইলৈৰ পৰা দুদিনীয়াকৈ মহা কুণ্ড মেলাৰ আয়োজন কৰা হৈছে। মেলা উদযাপন সমিতিয়ে প্ৰকাশ কৰা মতে এই মেলাত অংশ ল'বলগীয়া লোকসকলৰ সুবিধাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নগাঁও জিলাৰ পুৰণি গুডামৰ গড়মূৰ তিনিআলিৰ পৰা ১৫ কিলোমিটাৰ পূব দিশত অৱস্থিত প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপূৰ ছাপানালা অঞ্চললৈ অগণন লোকৰ সমাগম হয়। নগাঁও কাৰ্বি আংলং জিলাৰ সীমান্তৱৰ্তী চোৰাং বনাঞ্চলৰ লেমলেবি নামৰ পাহাৰখনৰ বুকুৰে নামি অহা চম্পাৱতী জলপ্ৰপাতত মাঘ মাহৰ শুক্লা সপ্তমি তিথিত স্নান কৰিলে পূণ্য অৰ্জন হয় বুলি ধৰ্মীয় বিশ্বাস প্ৰচলিত আছে।

০০০০০০

আই এছ্‌ এল ফুটবল প্ৰতিযোগিতাত কালি সন্ধিয়া ওড়িশাৰ কলিংগ ষ্টেডিয়ামত ওড়িশা এফ চি আৰু আৰু নৰ্থ-ইষ্ট ইউনাইটেড এফ চিৰ মাজত অনুষ্ঠিত খেলখন ২-২ গ'লত অমীমাংসিত হৈ ৰয়। নৰ্থ-ইষ্ট ইউনাইটেডৰ হৈ আলাদ্দিন আজাৰাইয়ে খেলখনৰ ৬৭ মিনিটত প্ৰথমটো গ'ল দিয়ে। ইয়াৰ পাছত খেলখনৰ ৭৮ মিনিটত ওড়িশা এফ চিয়ে দলৰ হৈ প্ৰথমটো গ'ল দিয়ে। পুনৰ ৮৩ মিনিটত আজাৰাইয়ে নৰ্থ-ইষ্টৰ হৈ আন এটা গ'ল দি দলক ২-১ গ'লৰ অগ্ৰগতি দিয়ে। ইয়াৰ পাছত ওড়িশা এফ চিৰ হৈ নেষ্ট'ৰে ফ্ৰি কিকৰ জৰিয়তে ২-২ গ'লত সমতা স্থাপন কৰে।

০০০০০০

সমাপ্ত